
Development' শীৰ্ষক গৱেষণা গ্ৰন্থখনৰ জড়িয়তে অসমীয়া ভাষাৰ যি বিজ্ঞান-সন্মত চৰ্চাৰ পাতনি তৰিছিল, সেই চৰ্চাৰ উত্তৰণ ঘটিছিল পৰৱৰ্তীকালৰ ড° উপেন্দ্ৰনাথ গোস্বামীৰ হাতত । ১৯২৫ চনত জন্মলাভ কৰা ড° উপেন্দ্ৰনাথ গোস্বামীৰ জীৱনৰ মধ্য কালছোৱাৰ পৰা শেষলৈকে অসমীয়া ভাষাৰ চৰ্চা আৰু অধ্যয়নতে অতিবাহিত হৈছিল । গুৱাহাটী বিশ্ববিদ্যালয়ৰ পৰা অসমীয়াত এম-এ পাছ কৰাৰ পাছত তেওঁ ডিব্ৰুগড় কানৈ কলেজ আৰু কটন কলেজত কাম কৰিছিল । তাৰ পাছত তেওঁ গুৱাহাটী বিশ্ববিদ্যালয়ৰ অসমীয়া বিভাগৰ অধ্যাপক হিচাপে যোগদান কৰি একেটা বিভাগৰে মুৰব্বী অধ্যাপক হিচাপে অৱসৰগ্ৰহণ কৰে । পুনৰ ডেক্কান কলেজত আধুনিক ভাষা বিজ্ঞানৰ প্ৰশিক্ষণ লাভ কৰি সেই অনুষ্ঠানৰ গৱেষক সদস্যৰূপেও তেখেতে কাম কৰিছিল ।



এগৰাকী ভাষাবিদ হিচাপে ড° উপেন্দ্ৰনাথ গোস্বামীয়ে অসমীয়া ভাষাৰ উৎপত্তি, বিকাশ, গঠন আৰু উপভাষা সম্পৰ্কে ভাষাবিজ্ঞানৰ সূত্ৰ প্ৰয়োগ কৰি বহুতো গ্ৰন্থ ৰচনা কৰিছে । তেখেতে অসমীয়া ভাষাৰ উপভাষা সম্পৰ্কে ভাষাবৈজ্ঞানিকভাৱে আলোচনা কৰি কামৰূপী উপভাষাক এক সুকীয়া মৰ্যাদা প্ৰদান কৰিছে তেখেতৰ 'A study on Kamrupi, A Dialect of Assamese' শীৰ্ষক গ্ৰন্থখনৰ জড়িয়তে। অসমীয়া ভাষাৰ উৎপত্তি আৰু গঠন সম্পৰ্কে আলোচনা কৰিছে 'An Introduction to Assamese' নামৰ গ্ৰন্থখনত । অসমীয়া ভাষাত ভাষা-বিজ্ঞান (Linguistics) সম্পৰ্কেও পোন প্ৰথমে গ্ৰন্থ লিখিছে ড° উপেন্দ্ৰনাথ গোস্বামীয়ে । 'ভাষা-বিজ্ঞান' তেখেতৰ এই সম্পৰ্কীয় গ্ৰন্থ । তেখেতৰ অন্যান্য গ্ৰন্থসমূহ হ'ল 'ভাষা আৰু সাহিত্য', 'অসমীয়া ভাষাৰ ৰূপকথা', 'অসমীয়া ভাষাৰ ব্যাকৰণ', 'অসমীয়া লিপি', 'বৈষ্ণৱ ভক্তি ধাৰা আৰু সন্ত কথা', 'অসমীয়া ভাষাৰ উত্তৰ সমৃদ্ধি আৰু বিকাশ', 'প্ৰত্ন অসমীয়া ভাষাৰ ৰূপতাত্ত্বিক বিশ্লেষণ', 'অসমীয়া ভাষা আৰু উপভাষা' ইত্যাদি। তদুপৰি তেওঁ 'মণিমাণিক অসমীয়া শব্দকোশ', 'চন্দ্ৰকান্ত অভিধান'ৰ তৃতীয় সংস্কৰণ, 'দেউৰী শব্দমালা' আদি অভিধানৰ সম্পাদনা কৰিছিল । অসমীয়া ভাষাৰ বিস্তৃতি সম্পৰ্কে তেওঁ লিখিছে — "বিশাল ব্ৰহ্মপুত্ৰই দুই বাহু মেলি সমগ্ৰ অসম আৰু অসমৰ দাঁতি কাষৰীয়া ৰাজ্যক সাৱটি ৰখাৰ নিচিনাকৈ অসমীয়া ভাষাটোৱেও অসম আৰু অসমৰ ওচৰ-পাজৰৰ সকলো অঞ্চলৰ লোকক সামৰি ৰাখিছে । অসমীয়া ভাষাটো প্ৰাচীন, পৰম্পৰাগত, বিবিধ উপাদানেৰে সমৃদ্ধ, ক্ৰমবিকশিত আৰু সমন্বয়ৰ ভাষা ।"

ড° গোস্বামীয়ে ভালদৰে উপলব্ধি কৰিছিল — মান্য ভাষাৰ অধ্যয়নৰ পূৰ্ণতাৰ বাবে উপভাষাসমূহৰ অধ্যয়ন অপৰিহাৰ্য । ব্লুমফিল্ডেও কৈ গৈছিল — "ভাষাবিজ্ঞানীৰ কাৰণে স্থানীয় উপভাষাবোৰৰ মূল্য যথেষ্ট। সেইবোৰে তেওঁক কামৰ আহিলা যোগায় কাৰণেই অকল মূল্যবান নহয় । মান্য আৰু অৰ্দ্ধ মান্য ভাষাৰ মূল আৰু বুৰঞ্জী আঞ্চলিক উপভাষাৰ জড়িয়তে পাব পাৰি ।" ব্লুমফিল্ডৰ এই কথাষাৰৰ তাৎপৰ্য উপলব্ধি কৰিয়েই ড° উপেন্দ্ৰনাথ গোস্বামীয়ে মান্য অসমীয়া ভাষাৰ অধ্যয়ন কৰাৰ লগতে ভাষাটোৰ উপভাষাবোৰৰ সম্পৰ্কেও অধ্যয়ন কৰিছিল । তাৰেই ফলশ্ৰুতি হৈছে 'A study on Kamrupi, A Dialect of Assamese' আৰু 'অসমীয়া ভাষা আৰু উপভাষা' নামৰ গ্ৰন্থ দুখন । তেওঁ উপলব্ধি কৰিছিল — "প্ৰত্যেক শব্দৰ একোটা ইতিহাস আছে। অসমীয়া শব্দ কিছুমানৰ ইতিহাসৰ উদ্ধাৰত কামৰূপী উপভাষাই যথেষ্ট বৰঙণি যোগাব পাৰে ।"

ড° উপেন্দ্ৰনাথ গোস্বামীয়ে যে অকল মান্য অসমীয়া ভাষা অথবা ইয়াৰ উপভাষাৰ অধ্যয়নতহে জোৰ দিছিল, তেনে নহয় । তেওঁ অসম আৰু ইয়াৰ দাঁতি কাষৰীয়া অঞ্চলত বসবাস কৰা জনজাতীয় ভাষাবোৰৰ অধ্যয়নতো গুৰুত্ব দিছিল । কাৰণ তেওঁ অসমীয়া ভাষাৰ অধ্যয়ন কৰি থাকোঁতে উপলব্ধি কৰিছিল — "বিশাল ব্ৰহ্মপুত্ৰত ভিন ভিন ঠাইৰ পৰা নানা উপনদী লগ লাগি নদীখন পৰিপুষ্টি কৰাৰ নিচিনাকৈ অসমত অতি প্ৰাচীন কালৰ পৰা বিভিন্ন জানজাতীয় বা থলুৱা ভাষাই অসমীয়া ভাষাৰ বিভিন্ন ক্ষেত্ৰত পৰিপুষ্টি সাধন কৰিছে ।" ড° বাণীকান্ত কাকতিয়ে তেখেতৰ 'Assamese : Its Formation and Development' নামৰ গ্ৰন্থখনৰ পৰিশিষ্টত অসমীয়া ভাষাত জনজাতীয় ভাষাবোৰৰ উপাদান সম্পৰ্কে যি ইঙ্গিত দাঙি ধৰিছিল, সেই ইঙ্গিতকে সাৰথি হিচাপে লৈ ড° উপেন্দ্ৰনাথ গোস্বামীয়ে বহল অধ্যয়ন কৰিছিল ।

এনে এজন নীৰৱ সাধক, উদাৰ মনৰ ভাষাবিদে যোৱা ২০০০ চনৰ ১৩ নৱেম্বৰত ইহলীলা সম্বৰণ কৰিলে । তেওঁৰ বিদেহী আত্মাই চিৰশান্তি লাভ কৰক, এয়েই পৰম পুৰুষৰ ওচৰত আমাৰ প্ৰাৰ্থনা ।

★ শ্ৰদ্ধাৰ্ঘ্য শিতানটো যুগুতালে 'জৱাহৰজ্যোতি'ৰ তত্ত্বাবধায়ক, অসমীয়া বিভাগৰ প্ৰবক্তা ললিত চন্দ্ৰ ৰাভাই ।




মহাবিদ্যালয়ৰ অধ্যক্ষ ড° ৰমাকান্ত বৰুৱা

মহাবিদ্যালয়ৰ গ্ৰন্থাগাৰৰ অধ্যয়ন কক্ষত অধ্যয়নৰত অৱস্থাত মহাবিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰী






# সম্পাদনা সমিতি, জৰাহৰজ্যোতি, ২০০০-২০০১



বহি ( বাওঁফালৰ পৰা) ঃ অধ্যাপক ললিত চন্দ্ৰ ৰাভা (তত্বাবধায়ক, জৰাহৰজ্যোতি), অধ্যাপক উমেশ চন্দ্ৰ কৰ (সদস্য), অধ্যক্ষ ড' ৰমাকান্ত বৰুৱা (সভাপতি), উপাধ্যক্ষ দ্বিজেন্দ্ৰনাথ দাস (উপসভাপতি), অধ্যাপক দীপাঙ্কৰ শৰ্মা (সদস্য) ।

থিয় হৈ (বাওঁফালৰ পৰা) ঃ শ্ৰীসঞ্জয় ৰাভা (সম্পাদক, জৰাহৰজ্যোতি), শ্ৰীপৰিত্ৰ কুমাৰ দাস (সদস্য), মঃ মণিৰুদ্দিন আহমেদ (সহকাৰী সম্পাদক, জৰাহৰজ্যোতি), শ্ৰীহিৰণ্য কুমাৰ নাথ (সদস্য)

# জৱাহৰলাল নেহৰু মহাবিদ্যালয় ছাত্ৰ একতা সভা, ২০০০-২০০১



*বাওঁফালৰ পৰা ঃ মিচ চাহিদা বেগম (সম্পাদিকা, ছাত্ৰী জিৰণি কোঠা), শংকৰ ৰাভা (সম্পাদক, ছাত্ৰ জিৰণি কোঠা), সঞ্জয় ৰাভা (সম্পাদক, জৱাহৰজ্যোতি), জিতু ডেকা (সম্পাদক, তৰ্ক আৰু আলোচনা চক্ৰ), হিৰণ্য কুমাৰ নাথ (উপ সভাপতি), সদানন্দ ৰাভা (সম্পাদক, লঘু ক্ৰীড়া বিভাগ), পবিত্ৰ কুমাৰ দাস (ভাৰপ্ৰাপ্ত সাধাৰণ সম্পাদক), মণিৰুদ্দিন আহমেদ (সহঃ সম্পাদক, জৱাহৰজ্যোতি)*

ফটোত অনুপস্থিত ঃ তত্বাৱধায়ক-তত্বাৱধায়িকা অধ্যাপক-অধ্যাপিকাবৃন্দ, গোপাল কলিতা (সম্পাদক, সমাজ সেৱা), মোবাৰক আলী (সম্পাদক, সাংস্কৃতিক বিভাগ), বাবুল ৰাভা (সম্পাদক, গুৰু ক্ৰীড়া বিভাগ)


# মহাবিদ্যালয় সপ্তাহৰ ৰেঙণি




মহাবিদ্যালয় সপ্তাহৰ বঁটা বিতৰণী অনুষ্ঠানত সমবেত সঙ্গীত পৰিৱেশন কৰি থকা অৱস্থাত মহাবিদ্যালয়ৰ কেইজনীমান ছাত্ৰী ।




মহাবিদ্যালয় সপ্তাহত উপস্থিত থকা অধ্যাপক-অধ্যাপিকা আৰু ছাত্ৰ-ছাত্ৰীৰ একাংশ ।



মহাবিদ্যালয় সপ্তাহত দৰ্শক হিচাপে উপস্থিত থকা ছাত্ৰ-ছাত্ৰী ।



মহাবিদ্যালয় সপ্তাহৰ বঁটা বিতৰণী অনুষ্ঠানত ভাষণৰত অৱস্থাত শ্ৰীযুত খগেন বায়ন ।




মহাবিদ্যালয় সপ্তাহৰ বঁটা বিতৰণী অনুষ্ঠানত অধ্যক্ষৰ সৈতে উপস্থিত থকা অতিথিবৃন্দ ।
বাওঁফালৰ পৰা ক্ৰমে খগেন বায়ন, শৰৎ চন্দ্ৰ তালুকদাৰ, অধ্যক্ষ ড° ৰমাকান্ত বৰুৱা,
কুমুদ চন্দ্ৰ পাটোৱাৰী আৰু লক্ষীকান্ত শৰ্মা ।



বঁটা বিতৰণী সভাত বিশিষ্ট অতিথি হিচাপে উপস্থিত থকা শ্ৰীযুত কুমুদ চন্দ্ৰ
পাটোৱাৰীক সম্বৰ্দ্ধনা জনাই থকা মুহূৰ্তত ।

# মহাবিদ্যালয় সপ্তাহৰ শ্ৰেষ্ঠা প্ৰতিযোগী



মিচ বুলুমণি মজুমদাৰ
শ্ৰেষ্ঠা খেলুৱৈ



মিচ বুলুমণি ৰাভা
শ্ৰেষ্ঠা গায়িকা



মিচ ৰূপৰেখা দাস
শ্ৰেষ্ঠা গায়িকা

# আমাৰ মহাবিদ্যালয়ৰ অন্য এক প্ৰতিভা



গুৱাহাটী বিশ্ববিদ্যালয় আন্তঃ মহাবিদ্যালয় যুৱ মহোৎসৱৰ লোকগীত আৰু বিষ্ণু ৰাভা সঙ্গীতত স্বৰ্ণ পদক লাভ কৰা আমাৰ মহাবিদ্যালয়ৰ ২০০০-০১ ইং বৰ্ষৰ শ্ৰেষ্ঠা সঙ্গীত শিল্পী মিচ বুলুমণি ৰাভা ।



ছয়গাঁও মহাবিদ্যালয়ত অনুষ্ঠিত দক্ষিণ কামৰূপ আন্তঃ মহাবিদ্যালয় কুইজ প্ৰতিযোগিতাৰ প্ৰথম পুৰস্কাৰ লাভ কৰা আমাৰ মহাবিদ্যালয়ৰ ছাত্ৰ শ্ৰীকুলদীপ বায়ন আৰু শ্ৰীদেৱজিৎ বৰা ।


# আলোক চিত্ৰত মহাবিদ্যালয়ৰ নৱাগত আদৰণী সভা








নৱাগত আদৰণী সভাৰ সাংস্কৃতিক অনুষ্ঠানৰ দৃশ্য।



নৱাগত আদৰণী সভাত উপস্থিত থকা ছাত্র-ছাত্রী আৰু দৰ্শকৰ একাংশ ।



নৱাগত আদৰণী সভাৰ মুকলি সভাত
ছয়গাঁও মহাবিদ্যালয়ৰ অধ্যক্ষ
শ্ৰীযুত অৰুণ শৰ্মা ভাষণৰত অৱস্থাত ।



নৱাগত আদৰণী সভাত বিকালী মহাবিদ্যালয়ৰ অধ্যক্ষ শ্ৰীযুত হৰেন্দ্ৰনাথ বৰুৱাদেৱে ভাষণ দি থকা অৱস্থাত ।



নৱাগত আদৰণী সভাত সভাপতিত্ব কৰা মহাবিদ্যালয়ৰ উপাধ্যক্ষ শ্ৰীযুত দ্বিজেন্দ্ৰনাথ দাসক সম্বৰ্দ্ধনা জনোৱা হৈছে ।

# ডক্তৰেট ডিগ্ৰী লাভ কৰা আমাৰ মহাবিদ্যালয়ৰ প্ৰাক্তন ছাত্ৰ-ছাত্ৰী



## ড° ৰজত চন্দ্ৰ ৰাভা

মহাবিদ্যালয়ত অধ্যয়ন কৰা সময় ঃ ১৯৭৭ - ১৯৭৯

গৱেষণা কৰা বিষয় ঃ A Descriptive Analysis of the Dudhnoi Dialect of Assamese.

কৰ্মজীৱন ঃ ১৯৮৫ চনৰ পৰা ১৯৯৬ চনলৈ কৃষ্ণাইৰ হাব্ৰাঘাট মহাবিদ্যালয়ৰ অসমীয়া বিভাগত অধ্যাপনা, ১৯৯৫ চনত সাময়িকভাৱে গুৱাহাটী বিশ্ববিদ্যালয়ৰ ভাষাতত্ত্ব বিভাগত অতিথি অধ্যাপক হিচাপে কাৰ্যনিৰ্বাহ আৰু ১৯৯৬ চনৰ পৰা বৰ্তমানলৈ দুধনৈ মহাবিদ্যালয়ৰ অসমীয়া বিভাগত অধ্যাপনা।

## ড° মলিনাদেৱী ৰাভা

মহাবিদ্যালয়ত অধ্যয়ন কৰাৰ সময় ঃ ১৯৭৭-১৯৮১

গৱেষণাৰ বিষয় ঃ ৰাভা লোক-সাহিত্যৰ এটি বিশ্লেষণাত্মক অধ্যয়ন (গোৱালপাৰা জিলাৰ বিশেষ প্ৰসংগেৰে)

কৰ্মজীৱন ঃ ১৯৮৬ চনৰ পৰা বৰ্তমানলৈকে ধুপধৰাৰ বিকালী মহাবিদ্যালয়ৰ অসমীয়া বিভাগত অধ্যাপনা ।





## ড° ক্ষীৰোদ কুমাৰ ঠাকুৰীয়া

গৱেষণাৰ বিষয় ঃ সুকবি নাৰায়ণদেৱৰ পদ্মা-পুৰাণঃ এক সামাজিক-সাংস্কৃতিক অধ্যয়ন ।

কৰ্মজীৱন ঃ১৯৮৮ চনৰ পৰা ১৯৯৪ চনলৈ খলিহা হাইস্কুলত শিক্ষকতা, ১৯৯৪ চনৰ পৰা ১৯৯৮ চনলৈ বিকালী মহাবিদ্যালয়ত অধ্যাপনা আৰু ১৯৯৮ চনৰ পৰা বৰ্তমানলৈ জৱাহৰলাল নেহৰু মহাবিদ্যালয়ত অধ্যাপনা ।